**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-05-2026 **Time :** 0755 Hrs.

উচ্চতম ন্যায়ালয়ৰ অংশগ্ৰহণমূলক ন্যায়ৰ দৰ্শনৰ প্ৰসাৰ তথা বিচৰাধীন হৈ থকা গোচৰসমূহ পাৰস্পৰিক বুজাবুজি আৰু সন্মতিৰে নিষ্পত্তি কৰাৰ লক্ষ্যৰে উচ্চতম ন্যায়ালয়ে অহা ২১ আগষ্টৰ পৰা ২৩ আগষ্টলৈ সমাধান সমাৰোহ শীৰ্ষক বিশেষ লোক আদালতৰ আয়োজন কৰিছে। সকলো অধিবক্তা, গোচৰীয়া পক্ষ, আৰু অন্যান্য সংশ্লিষ্ট পক্ষক এই অভিযানত অংশগ্ৰহণ কৰি গোচৰসমূহৰ ফলপ্ৰসু সমাধানৰ সহযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। গোচৰৰ পক্ষসমূহে আৰু তেওঁলোকৰ অধিবক্তাসকলে উচ্চতম ন্যায়ায়ৰ দ্বাৰা সৃষ্ট সৰল গুগল প্ৰপত্ৰ পুৰণ কৰি নিজৰ গোচৰটো সমাধান সমাৰোহ ২০২৬ত অন্তৰ্ভুক্ত কৰিব পাৰিব। ফৰ্ম পুৰণৰ অন্তিম তাৰিখ ৩১ মে' ২০২৬।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন অহা ১৫ মে'ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত শুনানিৰ বাবে তালিকাভুক্ত কৰা হৈছে। ইয়াৰ পূৰ্বে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে আজি অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদনখন শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। বিচাৰপীঠখনে ইয়াৰ পৰিৱৰ্তে অভিযুক্তগৰাকীৰ জামিন আবেদন উচ্চ ন্যায়ালয়ৰ আন বিচাৰপীঠত তালিকাভুক্ত কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

ৰাজ্য চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিদেশী মুদ্ৰা সঞ্চয়ৰ বাবে জনোৱা আহ্বান অনুসৰি এলানি ব্যয় সংকোচনৰ ব্যৱস্থা ঘোষণা কৰিছে। এই অনুসৰি চিকিৎসাজনিত কাৰণৰ বাহিৰে অন্য কাৰণত পৰৱৰ্তী ছমাহৰ বাবে চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বিদেশ ভ্ৰমণ নিষিদ্ধ কৰা হৈছে। চৰকাৰী আৰু ব্যক্তিগত দুয়োধনৰ বিদেশ ভ্ৰমণৰ ক্ষেত্ৰত এই বাধা প্ৰযোজ্য হ'ব। ৰাজ্য চৰকাৰে অহা ছমাহলৈ কোনো যান-বাহন ক্ৰয় নকৰে। ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি সকলো মন্ত্ৰী-বিষয়াৰ কনভয়ৰ বাহনৰ সংখ্যাও ছমাহৰ বাবে হ্ৰাস কৰা হ'ব। একেদৰে বিগত বৰ্ষৰ তুলনাত ৰাজ্য চৰকাৰে পেট্ৰ'ল-ডিজেলত হোৱা চৰকাৰী ব্যয় ২০ শতাংশ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ৰাজ্য চৰকাৰে পৰৱৰ্তী ছমাহৰ বাবে কোনো বিদেশী সামগ্ৰীও ক্ৰয় নকৰে। অৱশ্যে ৰাজ্যৰ জনসাধাৰণৰ ক্ষেত্ৰত এই বাধা প্ৰযোজ্য নহ'ব। চৰকাৰে এই সময়ছোৱাত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰেহে আলোচনা চক্ৰ, কৰ্মশালা অনুষ্ঠিত কৰিব। চৰকাৰী বিভাগ আৰু অনুষ্ঠানত ব্যৱহাৰৰ যান-বাহন ভাড়ালৈ ল'বলগীয়া হ'লে কেৱল বৈদ্যুতিক বাহনহে ভাড়াত লোৱা হ'ব। ইয়াৰ উপৰি ১৫ বছৰৰ বেছি পুৰণি পেট্ৰ'ল-ডিজেলচালিত যান-বাহন নিষিদ্ধ কৰাৰ প্ৰক্ৰিয়াও ত্বৰান্বিত কৰা হ'ব।

০০০০০০০

যোৰহাট জিলাৰ মৰিয়ণিত সেনাবাহিনীৰ ১৯ গৰাকী জোৱানে কালি যোৰহাট অগ্নি নিৰ্বাপন আৰু জৰুৰীকালীন সেৱা কেন্দ্ৰত বানৰ প্ৰস্তুতি আৰু আখৰামূলক অনুশীলন অনুষ্ঠিত কৰে। এছ ডি আৰ এফ আৰু অসামৰিক প্ৰতিৰক্ষা কৰ্মী সকলৰ তত্বাৱধানত আয়োজিত এই প্ৰশিক্ষণৰ দ্বাৰা বানৰ সময়ত সেনাবাহিনীক অধিক কাৰ্য্যক্ষণ কৰাৰ বাবে প্ৰস্তুত কৰা হয়। প্ৰশিক্ষণ কালত উদ্ধাৰ অভিযানত ব্যৱহৃত ৰৱৰৰ নাও আৰু অন্যান্য সজুলিৰ বিষয়ে জনোৱা হয়। ৰাজমাও পুখুৰীত নাও চলায় ব্যৱহাৰিক অনুশীলনো কৰা হয়। তদুপৰি বানত আৱদ্ধ লোকক উদ্ধাৰৰ বিষয়েও প্ৰশিক্ষণ গ্ৰহণকাৰী সকলক অৱগত কৰা হয়।

০০০০০০০

সেনা বাহিনীত অগ্নিবীৰ নিযুক্তিৰ বাবে চৰাইদেউ জিলাত প্ৰশাসনে বিশেষ প্ৰস্তুতি শিবিৰ মুকলি কৰিছে। সোণাৰি মহাবিদ্যালয় খেল পথাৰত সেনা বাহিনীৰ বিষয়াসকলৰ তত্বাৱধানত অনুষ্ঠিত এই শিবিৰত প্ৰাৰ্থীসকলৰ উচ্চতা নিৰূপণ, পুলআপ আৰু দৌৰ প্ৰতিযোগিতাৰ দৰে প্ৰাৰম্ভিক পৰীক্ষণসমূহ সম্পন্ন হয়। কাৰ্যসূচীত জিলাখনৰ আয়ুক্ত ডং নেহা যাদৱ আৰু সহকাৰী আয়ুক্ত বিবেক শৰ্মাই অংশ লৈ প্ৰাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। ছমাহৰ ভিতৰত জিলাখনৰ বিভিন্ন প্ৰান্তত এনে শিবিৰ অনুষ্ঠিত কৰি ৩০০ গৰাকী যুৱক-যুৱতীক সেনা বাহিনী, নৌসেনা আৰু বায়ুসেনাৰ বাবে উপযুক্ত কৰি গঢ়ি তুলিবলৈ জিলা প্ৰশাসনে পদক্ষেপ লৈছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ৰায়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰি  নিৰ্ধাৰিত ২০ অ'ভাৰত চাৰিটা উইকেটৰ বিনিময়ত ১৯২ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ অংকৃশ ৰঘুবংশীয়ে ৭১ আৰু ৰিংকু সিঙে ৪৯ ৰান কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে  ১৯ অ'ভাৰ আৰু এটা বলত চাৰিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দলটোৰ হৈ বিৰাট কোহলিয়ে ৬০ টা বলত ১০৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। এয়া  আই পি এলৰ ইতিহাসত কোহলিৰ নৱমটো শতক। ইয়াৰ সুবাদত কোহলিয়ে আই পি এলত সৰ্বাধিক শতক অৰ্জন কৰা খেলুৱৈ ৰূপে পৰিগণিত হয়। বিৰাট কোহলীক মেন অফ দা মেটচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰ পাছত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৬ পইণ্টেৰে গুজৰাটৰ সৈতে যুটীয়াভাৱে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে।

প্ৰতিযোগিতাত আজি হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

**সমাপ্ত**